**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-10-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব।

২। ভাৰত আৰু চীনে সীমান্তত শান্তি বৰ্তাই ৰখাৰ বাবে সকলো বিষয় সমাধানৰ বাবে বৰ্তমানৰ ব্যৱস্থা অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ কৰিছে।

৩। অন্ধ্ৰপ্ৰদেশৰ মছলিপট্টনম আৰু কলিংগপট্টনমৰ মাজত যোৱা নিশা খুন্দা মৰা মোন্থাস নামৰ ঘূৰ্ণি বতাহজাক ক্ৰমাৎ দুৰ্বল হৈ পৰিছে আৰু গভীৰ নিম্ন চাপলৈ ৰূপান্তৰিত হৈছে।

৪। এন ডি এ আৰু মহা মিত্ৰজোঁটে বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ভোটদাতাসকলৰ মন জয় কৰিবলৈ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

**আৰু**

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব। এই ভ্ৰমণকালত শ্ৰী মোদীয়ে কাইলৈ কেৱড়িয়াৰ একটা নগৰত এহেজাৰ ১৪০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান আন্তঃগাঠনি আৰু উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিলগীয়া প্ৰকল্পসমূহৰ ভিতৰত ৰাজপিপলাৰ বিৰছা মুণ্ডা জনজাতীয় বিশ্ববিদ্যালয়, ৱামন বৃক্ষ বাটিকা, বৈদ্যুতিক বাছ চাৰ্জিং ডিপো আৰু ২৫খন বৈদ্যুতিক বাছৰ সেৱা অন্যতম। ইয়াৰ উপৰিও শ্ৰীমোদীয়ে ভাৰতৰ ৰাজকীয় সংগ্ৰহালয়, ক্ৰীড়া চৌহদ, শুলপানেশ্বৰ ঘাটৰ সমীপত অৱতৰণ সেতুৰ উন্নয়ন আৰু একতাৰ প্ৰতিমূৰ্তিত ট্ৰেভেলেতৰ অৰ্থাৎ ঘূৰ্ণিয়মান পথসহ ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

শুকুৰবাৰে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীৰ প্ৰতি পুস্পাৰ্ঘ্য নিবেদন কৰিব। তেওঁ লগতে একতা দিৱসৰ সংকল্প আৰু কুজ-কাৱাজতো ভাগ ল'ব। এইবেলি একতা দিৱসৰ কুজ-কাৱাজৰ মুখ্য আকৰ্ষণ সীমা সুৰক্ষা বাহিনীৰ মাৰ্চিং দল হ'ব। এই দলত ৰামপুৰ হাউণ্ডছ আৰু মুঢল হাউণ্ডছৰ দৰে ভাৰতীয় প্ৰজাতিৰ কুকুৰ অন্তৰ্ভুক্ত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে নতুন দিল্লীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ত অংশগ্ৰহণ কৰিব। মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ বছৰীয়া জয়ন্তী আৰু আৰ্য সমাজৰ সেৱাৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনৰ লগত সংগতি ৰাখি সেৱাৰ স্বৰ্ণিল ডেৰশ বছৰ্ব শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। এই প্ৰদৰ্শনীত শিক্ষা, সামাজিক সংস্কাৰ আৰু আধ্যাত্মিক উত্থানৰ ক্ষেত্ৰত আৰ্য সমাজৰ অৱদানৰ মাধ্যমেৰে সংস্থাটোৰ পৰিবৰ্তনকাৰী যাত্ৰাৰ বিষয়ে আলোকপাত কৰা হ'ব। এই প্ৰদৰ্শনীত দেশ-বিদেশত থকা আৰ্য সমাজৰ গোটসমূহৰ প্ৰতিনিধিবৰ্গই ভাগ ল'ব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰজনাথ সিঙে অহা পহিলা নবেম্বৰত মালয়েছিয়াৰ কুৱালালামপুৰত হবলগীয়া দ্বাদশ আছিয়ান প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত ADMM Plus ত অংশগ্ৰহন কৰিব। শ্ৰী সিঙে ১৫বছৰত আছিয়ান প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত প্ৰতিফলন আৰু ভৱিষ্যত কাৰ্যপন্থা সন্দৰ্ভত ভাষণ প্ৰদান কৰিব। দুদিনিয়া এই ভ্ৰমণৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে বৈঠকত অংশগ্ৰহনকাৰী ৰাষ্ট্ৰসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰী সকলৰ লগতে মালয়েছিয়াৰ শীৰ্ষ নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ কথা আছে। উল্লেখযোগ্য যে, আছিয়ান ৰাষ্ট্ৰসমূহৰ মাজত প্ৰতিৰক্ষা সহযোগিতা অধিক শক্তিশালী কৰাৰ উদ্দেশে প্ৰতিবছৰে এই বৈঠক অনুষ্ঠিত হৈ আহিছে।

০০০০০

ভাৰত আৰু চীনে সীমান্তত শান্তি বৰ্তাই ৰখাৰ বাবে সকলো বিষয় সমাধানৰ বাবে বৰ্তমানৰ ব্যৱস্থা অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ কৰিছে। ২৫ অক্টোবৰত চুচুল-মল্ডো সীমান্ত চকী অনুষ্ঠিত ভাৰত-চীন ক'ৰ কামাণ্ডাৰ পৰ্যায়ৰ ২৩ সংখ্যক বৈঠকৰ এই সিদ্ধান্ত গহণ কৰা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে যে বৈঠকত দুয়ো পক্ষই সীমান্ত এলেকাত শান্তি বৰ্তি থকা বুলি মত প্ৰকাশ কৰে। বৈঠক সৌহাদ্যপূৰ্ণ বাতাবৰণত সম্পন্ন হোৱা বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিছে।

০০০০০

ভাৰত আৰু চীনে সীমান্তত শান্তি বৰ্তাই ৰখাৰ বাবে সকলো বিষয় সমাধানৰ বাবে বৰ্তমানৰ ব্যৱস্থা অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ কৰিছে। ২৫ অক্টোবৰত চুচুল-মল্ডো সীমান্ত চকী অনুষ্ঠিত ভাৰত-চীন ক'ৰ

কামাণ্ডাৰ পৰ্যায়ৰ ২৩ সংখ্যক বৈঠকত এই সিদ্ধান্ত গহণ কৰা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে যে বৈঠকত দুয়ো পক্ষই সীমান্ত এলেকাত শান্তি বৰ্তি থকা বুলি মত প্ৰকাশ কৰে। বৈঠক সৌহাদ্যপূৰ্ণ বাতাবৰণত সম্পন্ন হোৱা বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিছে।

ooooo

অন্ধ্ৰপ্ৰদেশৰ মছলিপট্টনম আৰু কলিংগপট্টনমৰ মাজত যোৱা নিশা খুন্দা মৰা মোন্থাস নামৰ ঘূৰ্ণি বতাহজাক ক্ৰমাৎ দুৰ্বল হৈ পৰিছে আৰু গভীৰ নিম্ন চাপলৈ ৰূপান্তৰিত হৈছে। অন্ধ্ৰপ্ৰদেশ চৰকাৰে ঘূৰ্ণি বতাহ প্ৰভাৱিত এলেকাসমূহত জীৱনযাত্ৰা স্বাভাৱিক কৰি তোলাৰ বাবে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে টেলি কনফাৰেন্সৰ জৰিয়তে পৰিস্থিতিৰ বুজ লৈছে আৰু মন্ত্ৰী তথা জ্যেষ্ঠ বিষয়াসকলক বান প্ৰভাৱিত এলেকাসমূহ পৰিদৰ্শন কৰিবলৈ নিৰ্দেশ দিছে।

আৰক্ষী, ৰাজহ, অগ্নিনিৰ্বাপন, চিকিৎসা আৰু দুৰ্যোগ সহাৰি বাহিনীসমূহে যুদ্ধকালীন তৎপৰতাৰে প্ৰভাৱিত এলেকাসমূহত উদ্ধাৰ আৰু সহাৰ্য অভিযান চলাই আছে। দুৰ্যোগ সহাৰি বাহিনীৰ কৰ্মীসকলে যাতায়ত আৰু ব্যাহত বিদ্যুৎ যোগান বাহাল ৰখাৰ বাবে উভালি পৰা গছ আৰু বিদ্যুতৰ খুটা আতৰ কৰাৰ বদৰে কাম কৰি আছে। চৰকাৰে প্ৰভাৱিত এলেকাসমূহৰ জনসাধাৰণক খাদ্য, খোৱা পানী আৰু অন্য সামগ্ৰী যোগানৰ ব্যৱস্থা কৰিছে। গাওঁ আৰু চহৰসমূহত নলা-নৰ্দমা পৰিষ্কাৰ কৰাৰ লগতে জমা হোৱা পানী আতৰ কৰাৰ বাবে চেষ্টা চলাই থকা হৈছে। ৰাজ্যখনত পথ, ৰে'ল আৰু বিমান সেৱা স্বাভাৱিক হৈ উঠিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মোন্থা নামৰ ঘূৰ্ণি বতাহজাক অন্ধ্ৰপ্ৰদেশৰ উপকূলভাগ আৰু ইয়াৰ গাতে লাগি থকা তেলেংগানাৰ অঞ্চলসমূহত গভীৰ নিম্ন চাপলৈ ৰূপান্তৰিত হোৱা বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে প্ৰকাশ কৰা মতে ঘূৰ্ণি বতাহজাক বিগত ছয় ঘণ্টাত প্ৰতিঘণ্টাত ১৫ কিলোমিটাৰ বেগেৰে উত্তৰ-পশ্চিম দিশে গতি কৰিছে আৰু গভীৰ নিম্ন চাপলৈ ৰূপান্তৰিত হৈছে। বতাহজাক পৰবৰ্তী ছয় ঘণ্টাত নিম্ম চাপলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

ooooo

এন ডি এ আৰু মহা মিত্ৰজোঁটে বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ভোটদাতাসকলৰ মন জয় কৰিবলৈ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। এন ডি এ আৰু মহা মিত্ৰজোঁট উভয়ৰে নেতাসকলে নিজ নিজ প্ৰাৰ্থীৰ সমৰ্থনত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত নিৰ্বাচনী সভাত ভাগ লৈছে। চিৱান জিলাৰ ৰঘুনাথ পুৰত এখন জনসভাত ভাষণ দি বিজেপিৰ জ্যেষ্ঠ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী অদিত্য নাথে কয় যে আৰ জে ডি আৰু কংগ্ৰেছৰ কাৰ্যকালে ৰাজ্যখনক ইতিপূৰ্বে বহু পিছুৱাই লৈ গৈছে। তেওঁ কয় যে যদি এন ডি এ পুনৰ ক্ষমতালৈ আহে তেন্তে বিহাৰ এখন উন্নত ৰাজ্যত পৰিণত হ'ব আৰু ৰাজ্যখনৰ আইন-শৃংখলাৰ পৰিস্থিতিও উন্নত হ'ব। ইপিনে সমষ্টিপুৰৰ চৰাইৰঞ্জনৰ এখন নিৰ্বাচনী সভাত ভাগ লৈ আৰ জে ডি নেতা তথা মহামিত্ৰজোঁটৰ প্ৰাৰ্থী তেজশ্বী প্ৰসাদ যাদৱে কয় যে তেওঁ প্ৰতিটো পৰিয়ালৰ একোজনকৈ সদস্যক চৰকাৰী চাকৰী প্ৰদানৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব। এন ডি এ চৰকাৰৰ ৰাজ্যখনক লৈ কোনো পৰিকল্পনা নাই বুলি তেওঁ অভিযোগ কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি দৰভাংগা, সমষ্টিপুৰ আৰু

বেগুচৰাইত দলৰহৈ প্ৰচাৰ চলাব। একেদৰে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে দৰভাংগাৰ হায়াঘাট আৰু পাটনাৰ বাঢ়ত প্ৰচাৰ অভিযানত ভাগ ল'ব। ইপিনে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে আজি ৰাজ্যখনত তেওঁ প্ৰচাৰ অভিযানৰ পাতনি মেলিব। শ্ৰী গান্ধীয়ে মুজাফফৰপুৰ আৰু দৰভাংগাৰ নিৰ্বাচনী সভাত ভাগ ল'ব।

ooooo

চাইপ্ৰাছৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী কনষ্টানটিন'ছ কাম্বোছ তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি পুৱা নতুন দিল্লীত উপস্থিত হৈছে। আজি সন্ধিয়া শ্ৰী কাম্বোছে গান্ধী স্মৃতিলৈ গৈ মহাত্মা গান্ধীৰ প্ৰতি তেওঁৰ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিব। কাইলৈ তেওঁ ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰক সাক্ষাৎ কৰাৰ কথা আছে। কাইলৈ সন্ধিয়া শ্ৰী কাম্বোছে বিশ্ব পৰিক্ৰমা ভাৰতীয় পৰিষদ চমুকৈ ICWA এ আয়োজন কৰা ৫৫সংখ্যক চাপ্ৰো হাউচ বক্তৃতা প্ৰদান কৰিব।

oooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমত প্ৰথমবাৰৰ বাবে হ'বলগীয়া মহিলা বিশ্বকাপ ক্ৰিকেটৰ ছেমি ফাইনেল খেলখনৰ বাবে দৰ্শকৰ মাজত যথেষ্ট আগ্ৰহ পৰিলক্ষিত হৈছে। বৰ্ষাপাৰাত অনুষ্ঠিত পূৰ্বৰ কেইবাখনো আন্তৰ্জাতিক ক্ৰিকেট খেল বৰষুণৰ বাবে বিঘ্নিত হোৱাৰ দুঃসহ স্মৃতি আঁতৰাই গুৱাহাটীৰ ক্ৰিকেট প্ৰেমী আজিৰ খেলখন উপভোগৰ বাবে সাজু হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি আজি গুৱাহাটীৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব যদিও খেল ব্যাহত হ'ব পৰা ধৰণৰ বৰষুণৰ সম্ভাৱনা নাই বুলি কোৱা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি আবেলি আঢ়ৈ বজাৰ পৰা এই খেলখনৰ হিন্দী আৰু ইংৰাজীত চলন্ত বিৱৰণী প্ৰচাৰ কৰিব। প্ৰাগজ্যোতিষপুৰ শাখাত মিডিয়াম ৱেভৰ ২৮৯ দশমি ৯ মিটাৰত এই বিৱৰণি শুনিবলৈ পোৱা যাব।

oooooo

ভাৰতৰ অনাহট সিঙে কানাডা মহিলা অপেন স্কুৱাছ প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অনাহটে কালি তুৰন্ত অনুষ্ঠিত মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত বেলজিয়ামৰ টিন্নে গিলিছক ১২-১০, ১১-৯, ১১-৯ পোনপটীয়া গেমত পৰাস্ত কৰে। অনাহট সিং কাইলৈ ছেমিফাইনেলত ইংলেণ্ডৰ জৰ্জিয়া কেনেডিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ আনখন ছেমিফাইনেলত ইজিপ্তৰ অমিনা উৰ্ফি আমেৰিকাৰ অমাণ্ডা ছোভিৰ সন্মুখীন হ'ব।

OOOOO